# A Study on the Educational Status of Loom Industry Weavers with Special Reference of Golakganj Area.

To,

The Department of Education
Chilarai College, Golakganj


*Guide By :-*
Nijita Khetawat
Assistant professor.
Department of Education
Chilarai College, Golakganj

*Submitted By:-*
Pinki Barman
Roll No. UA-201-164-0097
Registration No. 20033756
Department of Education
Chilarai College, Golakganj

# A Study on the Educational Status of Loom Industry Weavers with Special Reference of Golakganj Area.

**To,**

**The Department of Education**
**Chilarai College, Golakganj**


Guide By :-

Nikita Khetawat
Assistant Professor,
Department of Education,
Chilarai College, Golakganj

*Submitted By:-*

**Pinki Barman**
Roll No. UA-201-164-0097
Registration No. 20033756
Department of Education
Chilarai College, Golakganj

# CERTIFICATE

This is to certify that the project entitled ,**"A Study on the Educational Status of Loom Industry Weavers with Special Reference of Golakganj Area"** is a bonafide record of independent investigation done by **Pinki Barman** under by supervisor,submitted to the Department of Education ,Chilarai College,Golakganj in partial fulfilment for the degree of Bachlor of Arts in Education and that project has not previously formed the basis for the award of any degree,diploma,A Associate Ship,Follow Ship and my other title.

I wish her all success in life.

25.05.2023

Place:-Chilarai College

Date:- 25.05.2023

Supervisor

Nikita khetawat

Teacher in-charge

Department of Education

Chilarai College,Golakganj

# DECLARATION

I Miss Pinki Barman,hereby declare that this project work entitled, **"A Study on the Educational Status of Loom Industry Weavers"** submitted by me under the supervision of maam **Nikita Khetawat**,Assistant professor ,Department of Education,Chilarai College is my original work.This project work entitled is done for the requirement of the B.A 6th semester at Chilarai College.

Date:- 25.05.2023

Place:-Department of Education
Chilarai College
Golakganj

Name:-Pinki Barman
Class:-B.A 6th semester
Roll No:-UA-201-164-0097
Registration No:-20033756

# ACKNOWLEDGEMENT

At the outset heartfelt gratitude and respect of highest order I must offer my acclaimed supervisor Nikita Khetawat,Assistant professor of Department of Education,Chilarai College,Golakganj for her consistent inspiration and motivation ,valuable suggestions and illuminating guidance at different stages throughout my work .She is my source of motivation.It was a great pleasure for me to work under her supervision.

I express my gratitude to Tarini Kanta Biswas,Head of the Department and other faculty members for their valuable suggestions ,encouragement and advice from the time to time which helped me a lot to enrich my study.

I offer special thanks to my friends who help me a lot in conducting the work of the study and to my respondents who spared their valuable time in the course of the study and their confidential information with me without which I could never been able to see the project in the present from.

Over and above all,I owe more than I could express my deep sense of gratitude to my younger sister for her inexhaustible support, inspiration and cooperation in every aspect of my life.

Place:-Chilarai College

Pinki Barman

Date:- 25.05.2023

# CONTENTS


## CHAPTER-1

| | | Page |
|---|---|---|
| 1. | Introduction | 1 - 4 |
| 1.01 | Need and importance of the Study. | 5 - 6 |
| 1.02 | Description of the Study area. | 7 - 9 |
| 1.03 | Objective of the Study. | 10 |
| 1.04 | The hypothesis. | 11 - 12 |
| 1.05 | Delimination of the Study. | 13 |

## CHAPTER-2

| | | |
|---|---|---|
| 2.01 | Meaning of the review of related literature. | 14 - 15 |
| 2.02 | Important of review of related literature. | 16 - 17 |
| 2.03 | Objective of review of related literature. | 18 - 19 |
| 2.04 | Review of related literature or analysis of the reviews. | 20 - 22 |

## CHAPTER-3

| | | |
|---|---|---|
| 3.01 | Methodology. | 23 - 24 |
| 3.02 | Tools used for data collection. | 25 - 27 |
| 3.03 | Sources of data. | 28 - 29 |

## CHAPTER-4

Collection of Analysis and interpretation of the Data. 30 - 43

## CHAPTER-5

| | | |
|---|---|---|
| 5.01 | Major finding of the Study. | 44 - 48 |
| 5.02 | Suggestion. | 49 - 50 |
| 5.03 | Conclusion. | 51 - 52 |

# CHAPTER - 1

## 1. INTRODUCTION (প্ৰস্তাৱনা)

তাঁতশিল্পৰ কথা শুনিলেই আমাৰ মনত পৰে হাতেৰে বনোৱা কাপোৰৰ কথা। তাঁত হ'ল এক বিধৰ যন্ত্ৰ যৰ পৰা কপাহ বা কপাহৰ পৰা উৎপন্ন হোৱা সূতাৰ পৰা কাপোৰ বনোৱা হয়। তাঁত বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়। যেনে:- হস্তচালিত তাঁত, সমান্তৰাল তাঁত, মেচিনেৰে চলোৱা তাঁত আদি। তাঁতত যিয়ে কাপোৰ বনায় তাক আমি শিপিনী বুলি কওঁ।

শিপিনী হ'ল সূতাৰে কাপোৰ বোৱা বা তৈয়াৰ কৰা মহিলা। শিপিনীয়ে তাঁতশাল নামৰ যন্ত্ৰ এটা ব্যৱহাৰ কৰে যিয়ে সূতা বোৱাত কাপোৰ বনোৱাত সহায় কৰে।

তাঁতশিল্পৰ ইতিহাস বহুত পুৰণি। ভাৰতবৰ্ষত বিভিন্ন পৰ্যায়ত তাঁতশিল্প বা বস্ত্ৰশিল্পৰ বিকাশ হৈছিল 1818 চনৰ আগমুহূৰ্তলৈকে ভাৰতৰ তাঁতশিল্প এক কুটিৰশিল্পৰ আকাৰতে আছিল। 1818 সালত হাওৰাৰ ঘুঘুড়িত প্ৰথম যন্ত্ৰচালিত কাপোৰৰ কল স্থাপিত হৈছিল। 1851 চনত মুম্বাইত, আহমদাবাদ আদি অঞ্চলত তাঁতশিল্পৰ প্ৰকৃত সূচনা হয় আৰু পিছত গোটেই দেশতে এই শিল্প বিয়পি পৰে।

প্ৰথম বিশ্বযুদ্ধৰ পিছত আন্তৰ্জাতিক বজাৰত বস্ত্ৰ বা কাপোৰৰ চাহিদা কমাত এই শিল্প ক্ষতিগ্ৰস্থ হয় যদিও দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বস্ত্ৰৰ চাহিদা বিপুল হাৰত বৃদ্ধি পায় আৰু এই সময়কে তাঁতশিল্প বা বস্ত্ৰশিল্পৰ 'সুবৰ্ণযুগ' বুলি কোৱা হয়। এই সময়তে গোটেই ভাৰতবৰ্ষতে সৰ্বমুঠ 389 টা তাঁতশিল্প আৰম্ভ কৰা হৈছিল।

প্ৰাচীন কালৰে পৰা তাঁতশিল্প বা বয়নশিল্পৰ বাবে অসম, ভাৰত বিখ্যাত। তাঁতশালখন কোনে, কেতিয়া, ক'ত আবিষ্কাৰ কৰিছিল তাৰ সঠিক তথ্য নাই যদিও হৰ্ষচৰিতে উল্লেখ কৰিছে যে কামৰূপৰ ৰজা ভাস্কৰবৰ্মনে পুষ্যভূতি সাম্ৰাজ্যৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ দুকুলা কাপোৰৰে নিৰ্মিত উপহাৰ পঠিয়াইছিল। শ্ৰীমন্ত শংকৰদেৱে বৰপেটাৰ তাঁতীকুছিত এশবিছ হাত দীঘল আৰু ষাঠি হাত বহল "বৃন্দাবনী বস্ত্ৰ" বোৱাই উলিওৱাৰ পৰা অনুমান কৰিব পৰা যায় যে প্ৰায় পাঁচশ-ছশ বছৰ আগৰ পৰাই প্ৰচলিত আছিল।

অসমৰ তাঁতশিল্পৰ গ্ৰাম্য অৰ্থনীতিত অৰিহণা বহুত। অসমীয়া তিৰোতাসকলৰ অতীতৰ পৰা শিপিনী হিচাপে এক সুকীয়া পৰিচয় আছে। এই তাঁতশিল্প বা বয়নশিল্প অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ বুলি কোৱা হয়। এক কথাত ক'বলৈ গ'লে তাঁতশিল্প

অসমীয়া সংস্কৃতিৰ পৰম্পৰা আৰু এই পৰম্পৰা জীয়াই ৰখাটো প্ৰত্যেকজন অসমীয়াৰ এটা দায়িত্ব। তাঁতশিল্পৰ অবিহনে অসমৰ অৰ্থনীতি স্ফুচল কৰিব নোৱাৰি আৰু গ্ৰাম্যঅঞ্চলৰ উন্নতি অবিহনে এখন ৰাষ্ট্ৰৰ সামগ্ৰিক উন্নতি সম্ভব নহয়। এই তাঁতশিল্পৰ জৰিয়তে গাঁৱৰ মহিলাসকলে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰচুৰ অবদান আগবঢ়াইছে

১৯৪৬ চনত জাতীৰপিতা মহাত্মা গান্ধীয়ে অসমৰ ভুৰালকুছীত আহিছিল আৰু তেখেতে অসমৰ ভুৰালকুছীত থকা মহিলাসকলৰ কাপোৰত ফুল তোলাৰ ধৰন দেখি কৈছিল যে, " অসমীয়া তিৰোতাসকলে কাপোৰত স্বপ্ন লিখে" - আৰু অসমৰ এই ভুৰালকুছি তাঁতশিল্পৰ বাবে সমগ্ৰ অসমতে বিখ্যাত।

অসমত পৰম্পৰাগতভাৱে তাঁতশাল দুইধৰণৰ মাটিশাল আৰু কঁকালীশাল আৰু ইয়াৰ উপৰিও হাঁতশাল, টানাশাল আৰু বৰ্তমান যুগত মেচিনৰ ব্যৱহাৰ হোৱা দেখা যায়।

অসমৰ সংস্কৃতি আৰু পৰিচয়ৰ প্ৰতীক তথা অসমীয়াৰ স্বাভিমান 'মুগাৰ গামোচা' ধনে ভৌগোলিক সূচক ( GI) টেগ লাভ কৰিছে হস্তভাত আৰু

বস্ত্র সন্থালকালয়ে পাঁচ বছৰ পূৰ্বেই এই দাবী উত্থাপন কৰিছিল আৰু অৱশেষত 2022 চনৰ ২৩ ডিচেম্বৰত এই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ লগে লগে জি আই টেগ লাভ কৰাৰ ফলত অসমৰ সাজোপাৰ উৎপাদন দিনক দিন বৃদ্ধি পাইছে যাৰ ফলত আমাৰ এই অঞ্চলৰ তাঁতশিল্পৰ চাহিদা আগৰ তুলনাত অলপ হলেও বৃদ্ধি পাইছে।

আমাৰ বাবে এটা গৌৰৱৰ কথা যে ভাৰতৰ মুঠ 24 লাখ তাঁতশালৰ ভিতৰত অসমতে ১৩ লাখ তাঁতশাল আছে। বৰ্তমান সময় এই তাঁতশালৰ লগত বহুত শিক্ষিত যুৱক- যুৱতী জড়িত হৈছে।

যদিহে তাঁতশিল্প বা বয়নশিল্পই আন্তৰা- ষ্ট্ৰীয় বজাৰ দখলৰ আৰু সুবিধা পালেহেঁতেন নিশ্চয়- কৈ বাণিজ্যিক ক্ষেত্ৰখনত আগবাঢ়ি যোৱাত সহায়ক হলহেঁতেন, অৱশ্যে তাঁতশিল্পত সংযোজিত আধুনি- কতাৰ সৰলে বজাৰ দখলত এক খাপ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

1.01 NEED AND IMPORTANCE OF STUDY:-
অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু উদ্দেশ্য

সাধাৰণতে দেখা যায় যে গোলকগঞ্জ অঞ্চলত কৃষিৰ পিছতে বেছিভাগ মানুহেই তাঁতশালত কামকৰি নিজৰ জীৱিকা নিৰ্বাহ কৰি আছে। এই তাঁতশালত কাম কৰি থকা মানুহৰ ভিতৰত কম বয়সীয়া লৰা-ছোৱালীও দেখা যায়। আমি যদি এই যুৱক-যুৱতীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে কিছুপৰিমান হলেও জানিব পাৰি তেনেহলে আমি তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ জোৰত ভিত্তি কৰি এই তাঁতশালৰ কামত নতুন নতুন পদ্ধতি আৰু কৌশল অন্তৰ্ভুক্ত কৰি এই তাঁতশালক আৰু অধিক আধুনিক স্তৰলৈ লৈ যাব পাৰিম শিক্ষিত যুৱক-যুৱতীসকলক লৈ এটা দল গঠন কৰিব পাৰিম যত সকলো শিক্ষিত যুৱক-যুৱতীসকলে মিলি নিজৰ বুদ্ধিৰে আমাৰ সংস্কৃতিস্বৰূপ তাঁতশিল্পৰ উন্নতি সাধন কৰিব পাৰিব। ইয়াৰ জৰিয়তে আমি চহৰত কিছুমান মহিলা আছে যিসকলে শিক্ষিত থকা সত্বেও কেৱল ঘৰৰ কাম কৰে সেই মহিলা সকলক এই দলটোৰ অন্তৰ্ভুক্ত কৰি মহিলাসকলক কামত নিয়োগ কৰিব পাৰিব। এই দলটো গঢ়াৰ ফলত এই অঞ্চলৰ আনকিছুমান মানুহ যিসকলে শিক্ষাগত অৰ্হতা আছে কিন্তু কৰ্মসংস্থাপন নাই আৰু কিছুমান তিৰোতা যিসকলৰ

পাৰ্যাপ্ত সুবিধা থকা সত্ত্বেও নিজকে অকল ঘৰৰ কামত নিয়োজিত কৰে। সেই সকলোকে এই দলটোৰ অনুপ্ৰেৰণা যোগাব পাৰিব।

এই দলৰ যুৱক-যুৱতীসকলৰ যোগেদি আমাৰ দেশৰ শিক্ষিত থকা সত্ত্বেও কামবিহীন জনসাধাৰণক এই কামৰ প্ৰতি আকৰ্ষিত কৰি এই তাঁতশিল্পৰ কামত তেওঁলোকক অন্তৰ্ভুক্ত কৰিব পাৰিব যাৰ ফলত আমাৰ দেশত প্ৰচলিত এটা কথা যে – "শিক্ষিত থকা সত্ত্বেও কামবিহীন বা নিবনুৱা"— এই কথাটোক কিছু পৰিমাণে হ'লেও লাঘৱ কৰিব পাৰিম।

আমি তাঁতশালত কাম কৰি থকা শিপিনীসকলৰ শিক্ষাৰ বিষয়ে জানি তেওঁলোকৰ শিক্ষাৰ স্তৰত ভিত্তি কৰি তেওঁলোকক তাঁতশিল্পৰ কামৰ লগত জড়িত নতুন পদ্ধতিৰ জ্ঞান প্ৰদান কৰিব পাৰিম আৰু তেওঁলোকে এই পদ্ধতিসমূহ গ্ৰহণ কৰি তাঁতশিল্পৰ উন্নতি কৰিব যাৰ ফলত আমি আমাৰ তাঁতশিল্পক কেৱল ভাৰতবৰ্ষতে নহয় গোটেই বিশ্বতে আগুৱাই লৈ যাব পাৰিম আৰু আন্তৰাষ্ট্ৰীয় বজাৰত আমি আমাৰ তাঁতৰ কাপোৰ বিলাক বিক্ৰী কৰিব আৰু যাৰ যোগেদি আমি আমাৰ দেশক অৰ্থনৈতিক দিশটোক আগুৱাই লৈ যাব পাৰিম।

## 1.02 DESCRIPTION OF THE STUDY AREA:-

অধ্যয়নৰ ক্ষেত্ৰৰ বিৱৰণ

গোলকগঞ্জ চহৰখন ধুবুৰী জিলাৰ এক ঐতিহাসিক ঠাই। ই ধুবুৰী জিলাৰ পৰা 20 কিমি দূৰত অৱস্থিত। গোলকগঞ্জ চহৰখন গদাধৰ নদীৰ পূবফালে অৱস্থিত আৰু এই চহৰখনৰ পৰা বাংলাদেশ বৰ্ডাৰখন ৫ কিঃমি দূৰত অৱস্থিত। 2001 চনৰ লোকপিয়ল গননা অনুসৰি ইয়াৰ মুঠ জনসংখ্যা ৭৬১২ জন। ইয়াৰ ভিতৰত পুৰুষ ৫৪% আৰু মহিলা ৪৬%। গোলকগঞ্জৰ মুঠ শিক্ষিতৰ হাৰ ৬৩%। গোলকগঞ্জৰ পূবফালেদি ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ গৈছে আৰু গোলকগঞ্জৰ পৰা ১৫ কিঃমি দূৰত ৰূপসী বিমানবন্দৰখন অৱস্থিত।

গোলকগঞ্জ চহৰত বিভিন্ন ধৰ্মাৱলম্বীৰ মানুহে বসবাস কৰে। এই চহৰৰ বেছিভাগ মানুহেই কৃষিজীৱি আৰু শ্ৰমজীৱি আৰু আন কিছুমান মানুহ ব্যৱসায়ী আৰু চাকৰিকৰী নিজৰ জীৱিকা নিৰ্বাহ কৰে।


গোলকগঞ্জ চহৰৰ চাৰিসীমা এনেধৰণৰ উত্তৰে :- কোকৰাঝাৰ জিলা, দক্ষিণে :- বাংলাদেশ, পূবে :- আগমনি উন্নয়ন ব্লোক, আৰু পশ্চিমে ৰূপসী উন্নয়ন ব্লোক।

গোলকগঞ্জত এটা কলাশাখাৰ মহাবিদ্যালয় আছে যাৰ নাম চিলাৰায় মহাবিদ্যালয়। এই মহাবিদ্যালয়টো ১৯৭৩ চনত প্ৰতিষ্ঠা কৰা হৈছিল। আৰু ইয়াৰ উপৰিও

ইয়াত এটা BTC আৰু DIET চেন্টাৰ আছে। ইয়াত I.T.I উদ্যোগতো আছে। গোলকগঞ্জত প্ৰধান কছুৰবুৰা গান্ধী বালিকা বিদ্যালয়ো আছে।

ধুবুৰী জিলাৰ এই গোলকগঞ্জ চহৰত ৭টা তাঁতশাল বা কাৰখানা আছে। ইয়াৰ ভিতৰত গোলকগঞ্জৰ তাঁতীপাৰাত কেইটা আৰু বালাপাৰা আৰু দেবনাথ পাৰাত কেইটা অবস্থিত।

# BLOCK AREA MAP
# GOLAKGANJ DEV. BLOCK




Scanned with CamScanner

## 1.03 OBJECTIVES OF THE STUDY:-
## অধ্যয়নৰ উদ্দেশ্য

গোলকগঞ্জত চহৰৰ তাঁতশালত কাম কৰি থকা শিপিনীসকলৰ শৈক্ষিক অৱস্থাৰ বিষয়ে অনুসন্ধান কৰাটোৱেই হল এই অধ্যয়নৰ মূল উদ্দেশ্য। এই অধ্যয়নৰ প্ৰধান উদ্দেশ্যবোৰ তলত উল্লেখ কৰা হল :-

(i) গোলকগঞ্জত তাঁতশালত কাম কৰি থকা শিপিনীসকলৰ শিক্ষাগত অৰ্হতৰ বিষয়ে বুজ লোৱা।

(ii) শিপিনীসকলে তেওঁলোকৰ মাহিলী আয়ত সন্তুষ্ট হৈছে নে নাই সেই বিষয়ে বুজ লোৱা।

(iii) শিপিনীসকলে শিপিনী আঁচনি সম্বন্ধে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত হয় নে নহয় সেই বিষয়ে বুজ লোৱা।

(iv) শিপিনীসকলে তেওঁলোকৰ কামটো আগুৱাই লোৱাৰ প্ৰতি কিমান আগ্ৰহী সেই বিষয়ে বুজ লোৱা।

# 1.04 THE HYPOHTESIS

## পূৰ্বানুমান

পূৰ্বানুমান শব্দৰ আক্ষৰিক অৰ্থ হ'ল পূৰ্বে কৰা অনুমান। পূৰ্বানুমান হৈছে এটা ধাৰণা বা বিবৃতি, যিটোক অস্থায়ীভাৱে বা ক্ষন্তেকীয়াভাৱে সঁচা বুলি ধৰি লোৱা হয়। পূৰ্বানুমানিক ধাৰণা অবিহনে গৱেষণা এটা লক্ষ্যবিহীন আৰু অসম্পূৰ্ণ হৈ পৰে। গতিকে যিবোৰ পূৰ্বৰ ধাৰণা, কল্পনা, অনুমান আদিৰে এজন গৱেষকে কাৰ্য্যৰ আৰম্ভণিতে কিছুমান নিয়ন্ত্ৰিত পদ্ধতিৰে আগবঢ়াই লৈ যায়, সেই ধাৰণাবোৰৰ সমষ্টিকে গৱেষণা এটাৰ পূৰ্বানুমান বুলি কোৱা হয়।

প্ৰস্তাৱিত গৱেষণাৰ বাবে গৱেষকে কিছুমান পূৰ্বানুমানিক ধাৰণা বা প্ৰমেয় গঠন কৰিছে। সেইসমূহ হ'ল:-

① আমাৰ সমাজত থকা শৈক্ষিক অনুষ্ঠানবোৰত পুৰুষসকলৰ তুলনাত মহিলাসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰা।

(ii) আমাৰ অঞ্চলৰ মহিলাসকল সামাজিকভাৱে সচেতন নহয়।

(iii) আমাৰ অঞ্চলৰ মহিলাসকলোক ঘৰুৱা কামত অত্যাধিক পৰিমাণে নিয়োজিত।

## 1.05 DELIMITATION OF THE STUDY :-

অধ্যয়নৰ সীমানির্ধাৰণ

বিষয় বা অধ্যয়নৰ সীমাবদ্ধতা বুলিলে সাধাৰণতে প্ৰস্তাৱিত বিষয়টোৰ বাবে কেনেকুৱা ধৰণৰ সীমা বান্ধি দিয়া হৈছে সেইটোকে বুজায়। সময়ৰ নাটনিৰ বাবে গৱেষণাকাৰ্যত সকলো বিষয় বিশদভাৱে সামৰি লোৱা সম্ভৱ নহয়। সেয়েহে গৱেষণা কাৰ্যত কিছু কিছু দিশত সীমাবদ্ধতা কৰি লোৱা হয়।

প্ৰস্তাৱিত অধ্যয়নৰ সীমাবদ্ধতাৰ বিষয়ে কিছু দিশত সীমাবদ্ধতা অৱলম্বন কৰিছে, সেইসমূহ হ'ল :-

(i) এই অধ্যয়ন কেৱল গোলকগঞ্জত চহৰৰ মাজতে সীমাবদ্ধ।

(ii) এই অধ্যয়ন কেৱল শিপিনীসকলৰ মাজতে সীমাবদ্ধ।

(iii) এই অধ্যয়ন কেৱল তাঁতশিল্পৰ শিপিনীসকলৰ শৈক্ষিক অৱস্থাৰ মাজতে সীমাবদ্ধ।

# CHAPTER - 2

## 2.01 MEANING OF THE REVIEW OF THE RELATED LITERATURE (বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণৰ অৰ্থ)

কোনো এটা গৱেষণা বা অধ্যয়নৰ সমস্যা নিৰ্বাচন, উদ্দেশ্য নিৰ্ধাৰণ আৰু প্ৰকল্প নিৰ্মাণৰ বাবে সাহিত্যৰ পুনৰীক্ষণ হ'ল মূল ভিত্তিপ্ৰস্তৰ। মূলতঃ গৱেষকসকলে গৱেষণাৰ বাবে হাতত লোৱা বিষয়ৰ সমস্যাৰ লগত সম্পৰ্ক থকা সাহিত্যৰ অধ্যয়নকে বিষয়ৰ লগত সংগতি থকা সাহিত্যৰ পুনৰীক্ষণ বুলি কোৱা হয়। এই ধৰণৰ অধ্যয়ন গৱেষকে হাতত লোৱা গৱেষণাৰ বাবে তথ্য আহৰণ কৰাত সহায় কৰে।

বিভিন্ন পণ্ডিতৰ দ্বাৰা 'Review of the Related Literature'-ৰ বিভিন্ন সংজ্ঞা দিয়া হৈছে তাৰে দুটামান তলত উল্লেখ কৰা হ'ল:-

JHON. W. BEST ৰ মতে (1980) " A Brief Summary of precious Research and the writting Recognized experts Provide evidence that the researches in familar with what is already known and with what is

Unknown and untested. Since effective research must be based upon past knowledge. This steps help to eliminate the duplicated of what has been and helpful suggestions for signification in investigation.

J.B CHATAMBER (1985), " Refers to the Review of related literatures and important Part of the scientific approach carried in all areas of scientific research wheather in the Physical-nature or Social Science."

গতিকে গৱেষকে সমস্যা বা গৱেষণাৰ বিষয়বস্তুৰ লগত সম্পৰ্কযুক্ত সাহিত্যৰ অধ্যয়ন কৰা গৱেষণাৰ বাবে বাঞ্ছনীয়।

## 2.02 IMPORTANCE OF REVIEW OF RELATED LITERATURE

(বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব)

বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণ কৰাটো প্ৰত্যেকজন গৱেষকৰ এক প্ৰয়োজনীয় পদক্ষেপ। কাৰণ গৱেষকে বা প্ৰকল্পকৰ্তাজনে প্ৰকল্পকাৰ্য কৰিবলৈ লোৱা বিষয়টোৰ সৈতে সংগতি থকা আন বিষয়ৰ ক্ষেত্ৰত পূৰ্বতে কোনো গৱেষকে বা প্ৰকল্পকৰ্তাই কেনেদৰে গৱেষণা কৰিছে, কেনে কি তথ্য সংগ্ৰহ কৰিছে, গৱেষণাৰ ফলাফল কি পাইছে সেই বিষয়ে জানিলে প্ৰকল্পকৰ্তাজনক প্ৰকল্প কাৰ্যত আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিব. গতিকে প্ৰকল্প কাৰ্যত বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ অধ্যয়ন অতিকৈ প্ৰয়োজন। প্ৰকল্পকাৰ্যত বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে তলত সংক্ষেপে উল্লেখ কৰা হ'ল :—

(1) বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণ প্ৰত্যেকজন প্ৰকল্পকৰ্তাৰ বাবে প্ৰয়োজনীয় ই সেইদৰে আধুনিক জ্ঞান ধাৰণাৰ সৈতে সম্পৰ্ক থকা তথ্য সংগ্ৰহ কৰাত সহায় কৰে।

(ii) সাহিত্যৰ পুনৰীক্ষণে প্ৰকল্পকৰ্তাজনক তেওঁৰ সাহিত্যৰ বিষয়ে বা তেওঁৰ সমস্যাৰ লগত জড়িত হোৱা কৰা বিভিন্ন গৱেষণা বা প্ৰকল্পৰ বিষয়ে নিৰ্ভুল তথ্যৰ যোগান দিয়া।

(iii) কোনো গৱেষণা বা প্ৰকল্পকাৰ্যৰ পৰিকল্পনা আৰু পৰিচালনা কৰিবলৈ এই স্তৰ প্ৰয়োজনীয়।

(iv) সাহিত্যৰ পুনৰীক্ষণে গৱেষণা বা প্ৰকল্প অধ্যয়নৰ পৰা পোৱা তথ্যৰ অনুৰূপ নকল কৰাটো পৰিহাৰ কৰিব পাৰে।

(v) সাহিত্যৰ পুনৰীক্ষণে গৱেষণা বা প্ৰকল্পকৰ্তাজনৰ প্ৰয়োজন অনুসৰি পূৰ্বানুমানিক ধাৰণা গঠন কৰাত সহায় কৰাৰ উপৰিও ইয়াৰ নিয়মো বান্ধি দিব পাৰে।

সাৰাংশত ইয়াকে কব পাৰি যে এই স্তৰটোৱে প্ৰকল্প কাৰ্যত পথ প্ৰদৰ্শক হিচাপে কাম কৰে।

## 2.03 OBJECTIVES OF REVIEW OF RELATED LITERATURE

(বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণৰ উদ্দেশ্য):-

বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পুনৰীক্ষণ কৰাটো সময়ব্যয়ী আৰু পৰিশ্ৰমৰ কাম। কিন্তু গৱেষণা কাৰ্য এটাৰ ক্ষেত্ৰত গুৰু দি তোলাত ই অতি সহায়কাৰী। গৱেষণাৰ এই সাহিত্যৰ পুনৰীক্ষণ কাৰ্য্যটোৰ বিভিন্ন উদ্দেশ্য আছে আৰু তাৰে কেইটা উদ্দেশ্য তলত উল্লেখ কৰা হ'ল :-

(i) প্ৰকল্পকৰ্তাজনক বা গৱেষকক পুথিগত, তত্ত্বগত আৰু কাৰ্য্যগত জ্ঞান প্ৰদান কৰা।

(ii) প্ৰকল্প কৰ্তাজনক পূৰ্বানুমানিক ধাৰণাবোৰ নিৰ্ণয়কৰাত সহায় কৰা।

(iii) নিজ প্ৰকল্পকাৰ্যৰ লগত আনৰ প্ৰকল্পকাৰ্য্যৰ তুলনামূলক অধ্যয়নত সহায় কৰে।

(iv) সাহিত্যৰ পুনৰীক্ষণৰ প্ৰধান উদ্দেশ্য হৈছে গৱেষণাৰ বিষয়টোৰ বাবে প্ৰয়োজনীয় জ্ঞান প্ৰদান কৰা।

(v) বিষয়ৰ লগত সংগতি থকা সাহিত্য আৰু বিভিন্ন পৰিস্থিতিৰ ব্যাখ্যা প্ৰদান কৰা।

উপৰোক্ত বিশ্লেষণৰ পৰা এই কথা সুস্পষ্ট ভাৱে পৰিস্ফুট হৈ পৰিছে যে বিষয়ৰ ক্ষেত্ৰে সাম্প্ৰতি থকা সাহিত্যৰ পুনৰীক্ষণে এই প্ৰকল্পকাৰ্য্যৰ সঠিক ৰচনা কৰাত সহায় কৰে।

সেয়েহে ইয়াক প্ৰকল্পকাৰ্য্যৰ নিয়ন্ত্ৰণকাৰী নিৰ্দেশনা বা আঁহিলা বুলি কোৱা হয়। ইয়াৰ দ্বাৰা প্ৰকল্পকৰ্তাজনে বৰ্তমানে প্ৰকল্পকাৰ্য কৰিবলৈ লোৱা বিষয়টোৰ লগত সম্পৰ্ক থকা দিশবিলাক বিচাৰি উলিয়াই নিৰ্দিষ্ট উদ্দেশ্য পূৰণৰ দিশে আগুৱাই নিয়াত সহায়ক হব পাৰে। ইয়াৰ উপৰিও প্ৰস্তাৱিত অধ্যয়নে প্ৰস্তাৱিত গৱেষণামূলক বিষয়টোৰ উদ্দেশ্য নিৰ্ণয় কৰাত সহায় কৰে।

## 2.01 REVIEW OF THE RELATED LITERATURE OR ANALYSIS OF THE PREVIOUS RESEARCH (বিষয়ৰ সৈতে সংগতি থকা সাহিত্যৰ পূৰ্ব গৱেষণাৰ বিশ্লেষণ) :-

প্ৰস্তাৱিত অধ্যয়নৰ বিষয়ৰ লগত প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে সম্পৰ্ক থকা সাহিত্য আৰু গৱেষণাৰ পৰিমাণ নিচেই কম। তাৰে পৰে কেইটামানৰ বিষয়ে তলত গৱেষকে আলোচনা কৰিছে :-

1. Baishya (1989) য়ে তেওঁৰ গ্ৰন্থ "Small and Cottage Industry"-ত শিপিনীসকলে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে ব্যাখ্যা কৰি অনুবৰ্তী প্ৰযুক্তি গ্ৰহণৰ প্ৰতি মানুহৰ মনোভাৱ সলনি কৰাৰ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

2. Srinivasulu (2000) য়ে তেওঁৰ গ্ৰন্থ "Textile Policy and Handlom Sector"-ত কয় যে তাঁতশাল আৰু দক্ষ বয়নকাৰীসকলৰ দ্বাৰা হস্তচালিত উৎপাদনৰ বিষয়ে বহলভাৱে আলোচনা কৰিছে। তেওঁ চৰকাৰৰ ভূমিকাৰ বিষয়ে কি যুক্তি আগবঢ়ায় যে চৰকাৰে

শিপিনীসকলক অৰ্দ্ধস্বয়ংক্ৰিয় তাঁতশাল আৰু প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ বাবে পদক্ষেপ লʼব লাগে।

3. Teena V.S and Nisha Sheen (2016) য়ে, হস্ততাঁত উদ্যোগত মহিলাশিপিনী সকলৰ সবলীকৰণৰ ওপৰত গৱেষণা কৰিছিল। এই গৱেষণাত মহিলা শিপিনীৰ স্বাস্থ্যৰ অৱস্থা আৰু সমবায় সমিতিৰ কাৰ্যকলাপ আৰু উপকাৰীতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

4. Sharma (2016) য়ে, তেওঁৰ গ্ৰন্থ "Status of women engagged in the handlom industry in Assam"ত হস্ততাঁত খণ্ডত নিয়োজিত মহিলাসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিছে। হস্ততাঁত কাপোৰৰ উৎপাদনত তেওঁ যুক্তি আগবঢ়ায় যে হস্ততাঁত বোৱাৰ কাম-কাজ অসমৰ অৰ্থনীতিতো এক গৌৰৱময় পৰম্পৰা আছে লগতে উত্তৰ-পূৰ্ব অঞ্চলৰ বাকী অংশৰ লগতে কাৰ্যকলাপ অসমীয়া মানুহৰ সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে অতীতৰ পৰা জড়িত হৈ আছে।

5. অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হলুৱা শিপিনী কল্যাণৰ বাবে 'স্বনিৰ্ভৰ নাৰী' (Swanirbhar Nari) আঁচনি প্ৰস্তুত কৰে। অসমৰ খিলঞ্জীয়া

শিল্পী আৰু তেওঁলোকৰ পৰিয়ালক সবলীকৰণ আৰু আৰ্থিক ভাৱে সহায় কৰাই হ'ল এই আঁচনিৰ মূল কাম।

6. নেশ্যনেল ডেস্ক 4 ফেব্ৰুৱাৰী :- বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সংসদত উপস্থাপন কৰে 2023-24 বৰ্ষৰ বাজেট (Union budget 2023)। এই বাজেটত প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা কৌশল সন্মান যোজনাৰ অধীনত দেশৰ থলুৱা শিল্পী আৰু শিল্পকৰ্মৰ লগত জড়িত মহিলাসকলে এক বিশেষ পেকেজ ঘোষনা কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় প্ৰথমবাৰৰ বাবে দেশৰ থলুৱা শিল্পী আৰু শিল্পকৰ্মৰ লগত জড়িত মহিলাসকলৰ সহায়কৰ গুৰু ঘোষনা কৰে। তেওঁলোকে প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰশীল ভাৰতক প্ৰতিনিধিত্ব কৰে। এই নতুন আঁচনিয়ে আত্মসহায়ক গোটসমূহক সহায় কৰাৰ লগতে শিল্পী সকলক আন্তৰ্জাতিক মানদণ্ডৰ লগতে গুনগত মানদণ্ড উন্নত কৰিবলৈ সক্ষম কৰি তুলিব।

# CHAPTER - 3

3.01 METHODOLOGY (পদ্ধতি)

প্ৰস্তাৱিত অধ্যয়নটো কৰিবলৈ ক্ষেত্ৰভিত্তিক অধ্যয়ন (Field work) পদ্ধতি হাতত লোৱা হৈছে। গৱেষণাৰ বাবে নিৰ্বাচন কৰা বিষয়বস্তুটোৰ অধ্যয়ন কৰিবৰ বাবে অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত গোলকগঞ্জ চহৰৰ অন্তৰ্গত তাঁতশালবোৰ যে পৰীক্ষাৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা হৈছে। এই তাঁতশাল বিলাকৰ যে তাঁত শিল্পী-সকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে জনাৰ চেষ্টা কৰা হয়। ইয়াৰ বাবে উক্ত তাঁতশালৰ নিম্নোক্ত ব্যক্তিসকলৰ পৰা তথ্য সংগ্ৰহ কৰাৰ বাবে সাক্ষাৎ কৰা হয়।

(i) প্ৰত্যেকটো তাঁতশালৰ স্বত্বাধিকাৰী আৰু

(ii) তাঁতশালত কাম কৰি থকা শিল্পীসকল

গৱেষকে ব্যক্তিগতভাৱে উক্ত ব্যক্তিসকলৰ লগত যোগাযোগ কৰি তাঁতশালত কাম কৰি থকা শিল্পী-সকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে আলোচনা কৰে।

গোলকগঞ্জ চহৰৰ তাঁতশালৰ শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ বাবে গৱেষকে নমুনা পদ্ধতি ব্যৱহাৰ কৰিছে। ইয়াৰ বাবে

মুঠ ৭ টা গাঁওখনত ৩০ জন ব্যক্তিৰ নমুনা লৈ নমুনা পদ্ধতিৰ ভিত্তিত (Random Sampling) তথ্য সংগ্ৰহ কৰাৰ বাবে নিৰ্বাচন কৰা হয়।

3.02 তথ্য সংগ্ৰহৰ সঁজুলি (TOOLS USED FOR DATA COLLECTION)

প্ৰস্তাৱিত বিষয়ৰ তথ্য সংগ্ৰহ কৰাৰ বাবে কিছুমান উপযোগী সঁজুলী ব্যৱহাৰ কৰা হয়। সেইবোৰৰ চমু আলোচন দিয়া হ'ল:-

a. প্ৰশ্নতালিকা (Questionnaire):- বিভিন্ন ব্যক্তিৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ এখন গুৰুত্বপূৰ্ণ প্ৰশ্নতালিকা প্ৰস্তুত কৰা হয়। উক্ত তালিকাখনত তাঁতশালত কাম কৰি থকা শিপিনীসকলৰ শিক্ষাগত অৰ্হতা, শিপিনীসকলে কিমানদূৰলৈ পঢ়াশুনা কৰিছে, কিয় এই কামত নিজক নিয়োজিত কৰিছে এই প্ৰশ্নবিলাক সন্নিবিষ্ট কৰা হৈছে। সংশ্লিষ্ট ব্যক্তিসকলৰ লগত দেখা কৰি বা সাক্ষাৎ কৰি এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁলোকৰ পৰা সংগ্ৰহ কৰা হৈছে।

উক্ত প্ৰশ্নসমূহ শিক্ষা আৰু শিপিনীসকলৰ মাহিলী আয় আদিৰ ওপৰত নিৰ্ধাৰিত কৰা হয়। ক্ষেত্ৰ অধ্যয়নৰ সহায়ত উক্ত তালিকাৰ পৰা প্ৰত্যক্ষভাৱে শিপিনীসকলৰ পৰা তথ্য সংগ্ৰহ কৰা হয়।

(b) নিৰীক্ষণ (Observation) :- নিৰীক্ষণ পদ্ধতি এক সহজ আৰু প্ৰত্যক্ষ পদ্ধতি। নিৰীক্ষণ পদ্ধতি ক্ষেত্ৰ অধ্যয়ন ভিত্তিক গৱেষণাৰে তথ্য সংগ্ৰহৰ এক গুৰুত্বপূৰ্ণ আধাৰ। ইয়াৰ যোগেদি প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিব পৰা যায়। ক্ষেত্ৰ অধ্যয়নৰ পৰ্যায়ত গোলকগঞ্জ চহৰত যি তাঁত থকা তাঁতশালৰ শিপিনীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে, সামাজিক সমস্যা, জীৱিকাৰ উপায়, পৰিয়ালৰ বৈষয়িক অৱস্থা আদি পৰ্যবেক্ষণ কৰি তাৰ পৰা গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰি লিপিবদ্ধ কৰা হয়।

(c) সাক্ষাৎকাৰ (Interview) :- প্ৰধাৰিত বিষয় অধ্যয়ন কৰি আৱশ্যকীয় তথ্য অধ্যয়ন কৰি সাক্ষাৎকাৰৰ ব্যৱস্থা কৰা হয়। বিষয়ৰ লগত সংগতি থকা বিভিন্ন ব্যক্তিসকল, কাৰখানাৰ শ্ৰমিকসকল, কাৰখানাৰ সদস্যসকল আদি ব্যক্তিক সাক্ষাৎ কৰি গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিবলৈ প্ৰচেষ্টা চলোৱা হয়।

উক্ত পদ্ধতিসমূহ ব্যৱহাৰ কৰি তথ্য সংগ্ৰহৰ বাবে নিৰ্দিষ্ট তাঁতশালবোৰ যি তাঁত কাম কৰি থকা শিপিনীসকলৰ লগত ব্যক্তিগতভাৱে সাক্ষাৎ কৰি তথ্য সংগ্ৰহ কৰা হয়। এই ক্ষেত্ৰত তথ্যসংগ্ৰহকাৰী

সংশ্লিষ্ট ব্যক্তিসকলৰ লগত উপযুক্ত সু-সম্পৰ্ক গঢ়ি তুলিব লাগে যাতে তেওঁলোকৰ দ্বাৰা আৱশ্যকীয় সহায় সহযোগিতা লাভ কৰা যায়। তেওঁলোকে যাতে তথ্য সংগ্ৰহৰ ক্ষেত্ৰত মুক্তভাৱে সহায় সহযোগিতা কৰে তাৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তোলাত গুৰুত্ব প্ৰদান কৰা হয়। আৰু ইয়াৰ উপৰিও তথ্য সংগ্ৰহৰ সহায়ত তেওঁলোকক আশ্বস্ত কৰা হয় যে তেওঁলোকে প্ৰদান কৰা মতামত আৰু তথ্যসমূহ সম্পূৰ্ণৰূপে গোপনে ৰখা হয়।

3.03

## তথ্যৰ উৎস (Source of data)

প্ৰস্তাৱিত গৱেষণাৰ তথ্যপাতি সমূহ প্ৰধানতে দুইবিধৰ উৎসৰ দ্বাৰা সাংগ্ৰহ কৰা হয়।

ⓐ প্ৰাথমিক তথ্য (Primary data)
ⓑ গৌণ তথ্য (Secondary data)

### ⓐ প্ৰাথমিক তথ্য (Primary Data) :-

প্ৰাথমিক তথ্যৰ ভিতৰত কোনো অধ্যয়নতে লাভ কৰা তথ্যপাতি, প্ৰশ্নতালিকা, নিৰীক্ষণৰ দ্বাৰা সাংগ্ৰহ কৰা তথ্য আদিয়েই প্ৰধান। উক্ত গৱেষণাত লাভ কৰা প্ৰাথমিক তথ্যবোৰ হ'ল :- শিল্পিনী সকল শিক্ষিত নে অশিক্ষিত তাৰ তথ্য, শিল্পিনী সকলে কিমান দূৰলৈ শিক্ষা গ্ৰহণ কৰিছে, তেওঁলোকে যদি শিক্ষিত তেনেহ'লে কিয় এই কামত জড়িত হৈছে আদিৰ তথ্য। কোনো অধ্যয়নৰ সময়ত বিভিন্ন ব্যক্তিসকলৰ লগত সাক্ষাৎ কৰি এই প্ৰাথমিক তথ্যসমূহ সংগ্ৰহ কৰা হয়। এই তথ্যবোৰেই হ'ল উক্ত

গৱেষণাৰ প্ৰাথমিক তথ্য।

(b) গৌণ তথ্য (Secondary Data) :-

প্ৰাথমিক তথ্যৰ উপৰিও গৱেষণাকাৰ্য সম্পন্ন কৰাৰ আগতে কিছুমান গৌণ তথ্যৰ ওপৰত গুৰুত্ব দিয়া হয়। গৌণ তথ্যৰ ভিতৰত শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে জানিবলৈ অধ্যয়ন কৰা বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি-কাকত অধ্যয়ন কৰা হয়। বিষয়বস্তুৰ সম্যক জ্ঞান লাভ কৰিবৰ বাবে লোকশিল্পীসকলৰ পৰা পোৱা তথ্য, ইণ্টাৰনেটৰ পৰা পোৱা তথ্যও সংগ্ৰহ কৰা হয়। তাৰোপৰি বিভিন্ন ধৰণৰ কিতাপ অধ্যয়ন কৰা হয়। আৰু এই বিষয়ৰ লগত সম্পৰ্ক থকা বিভিন্ন প্ৰজেক্ট আদিৰ পৰাও তথ্য সংগ্ৰহ কৰা হয়। এই তথ্যবোৰেই হ'ল উক্ত গৱেষণাৰ গৌণ তথ্য।

# CHAPTER - 4

4. প্ৰাপ্ত তথ্যৰ বিন্যাস আৰু বিশ্লেষণ :-

ANALYSIS AND INTERPETATION OF THE DATA

তথ্য সংগ্ৰহ কৰাৰ পৰ্বটোলৈকে প্ৰথমছোৱাক গৱেষণা কৰ্মৰ প্ৰথমভাগ বুলি ধৰি ল'লে, প্ৰাপ্ত তথ্যসমূহৰ বিন্যাস কৰি অনুধানৰ চূড়ান্ত ঔচিনি কথা আৰু প্ৰাথমিক ধাৰণা কৰালৈকে দ্বিতীয়ভাগ বুলি ধৰিবপাৰি।

এতিয়া গৱেষকৰ বাবে এই কামৰ সময়ছোৱা অতি গুৰুত্বপূৰ্ণ। তথ্য পাতিসমূহৰ শুদ্ধবিন্যাসৰ ওপৰতে গৱেষণাৰ ফল নিৰ্ভৰ কৰে। প্ৰাপ্ত তথ্যবোৰৰ বিন্যাসৰ বাবে গৱেষিকাই তালিকাকৰণ পদ্ধতি ব্যৱহাৰ কৰে। তালিকাকৰণ পদ্ধতি প্ৰকল্প কাৰ্য্যবা গৱেষণা কাৰ্যত ব্যৱহৃত হোৱা এটি সহজ পদ্ধতি। প্ৰকল্প কৰোঁতেই সংগ্ৰহ কৰা তথ্যবোৰ ভালদৰে পোনে পৰ্যবেক্ষণ কৰি সকলো বুজিব নোৱাৰে। সেইবাবে তথ্য বা সামগ্ৰীসমূহ তালিকাভুক্ত কৰা হয়। এনেদৰে তালিকাভুক্ত কৰিলে সামগ্ৰীসমূহ বুজিবলৈ সক্ষম হয়। তালিকাভুক্তকৰণ পদ্ধতি হ'ল বস্তুবোৰ সামগ্ৰী এটা এটাকৈ নিৰ্দিষ্ট শ্ৰেণীবদ্ধভাৱে লিখাৰ এটা ব্যৱস্থা। বিভিন্ন শাৰী আৰু স্তম্ভত কৈথ সামগ্ৰী তালিকাত সজাই লিখা পদ্ধতিক তালিকাভুক্ত কৰণ বুলি কোৱা হয়। প্ৰস্তাৱিত প্ৰকল্পটোৰ বিন্যাসৰ বাবে গৱেষকে বিভিন্ন তালিকা বনাইছে। ইয়াৰ লগতে গৱেষণাৰ পৰা প্ৰাপ্ত তথ্যসমূহৰ তাৎপৰ্য্য সম্পৰ্কে উপলব্ধি কৰিবৰ বাবে গৱেষকে দণ্ডচিত্ৰৰ সহায় লৈছে।

প্ৰদত্ত গৱেষণাৰ বাবে ৪ খন তাঁতশালৰ নিৰ্বাচন কৰি লোৱা হয় আৰু তথ্য সমূহ সংগ্ৰহ কৰা হয়। তথ্য সমূহ সংগ্ৰহ কৰাৰ বাবে প্ৰতিখন তাঁতশালৰ বাবে বেইচলাইন কৈ সুকীয়া প্ৰশ্নাৱলী প্ৰস্তুত কৰি লোৱা হল। আৰু প্ৰতিখন প্ৰশ্নাৱলীত 20 টা প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

তালিকা নং - ১

চাৰিটা উদ্যোগৰ ওপৰত ভিত্তি কৰি উত্তৰদাতা সকলৰ সামগ্ৰীক প্ৰতিক্ৰিয়া দেখুৱা তথ্য

| ক্ৰমিক নং | প্ৰশ্নসূচী | প্ৰতিক্ৰিয়াৰ পৰিমাণ | |
|---|---|---|---|
| | | হয় | নহয় |
| 1. | আপুনি কি শিক্ষিত নে? | 26(86%) | 4(14%) |
| 2. | আপুনি এতিয়াও পঢ়ি আছে নে? | 2(7%) | 28(93%) |
| 3. | আপোনাক যদি উচ্চশিক্ষা গ্ৰহণৰ সুযোগ দিয়া হয় তেনেহলে আপুনি শিপিনীৰ কাম এৰি দিব নে? | 14(47%) | 16(53%) |
| 4. | আপুনি আপোনাৰ পৰিয়ালৰ আৰ্থিক সমস্যাৰ বাবে শিপিনীৰ কামত নিয়োজিত হৈছে নেকি? | 28(93%) | 2(7%) |
| 5. | যদি আপুনি উচ্চশিক্ষিত হলেহেতেন তেনেহলে আপুনি এই শিপিনীৰ কামত জড়িত হলেহেতেন নেকি? | 2(7%) | 28(93%) |
| 6. | আপুনি এই কামৰ লগত সন্তুষ্ট নে? | 20(67%) | 10(33%) |

| | | | |
|---|---|---|---|
| 7. | আপুনি আপোনাৰ মাহিলী আয়ত সন্তুষ্ট নে? | 22(74%) | 8(26%) |
| 8. | আপোনাৰ শিপিনীৰ কামেৰে আপোনাৰ পৰিয়ালৰ আৰ্থিক সমস্যা দূৰ কৰিব পাৰিছে নে? | 13(44%) | 17(56%) |
| 9. | আপুনি ভৱিষ্যতে আপোনাৰ লৰা ছোৱালীক শিপিনীৰ কামত নিয়োজিত কৰাব নে? | 3(10%) | 27(90%) |
| 10. | আপুনি শিপিনীৰ লগত জড়িত বিভিন্ন আঁচনিৰ বিষয়ে জানানে? | 9(30%) | 21(70%) |
| 11. | আপোনালোকে যে তাঁতশালত কাপোৰ বনায় তাৰ উপযুক্ত মূল্য পায়নে? | 25(84%) | 5(16%) |
| 12. | আপুনি আপোনাৰ কামৰ সঠিক সন্মান পায়নে? | 23(77%) | 7(23%) |
| 13. | শিপিনী হিচাপে আপোনাৰ শিপিনীৰ পৰিচয় পত্ৰ আছে নে? | 2(7%) | 28(93%) |
| 14. | আপুনি কি কোনো আৰ্থিক সংস্থাৰ লগত জড়িত আছেনে? | 3(10%) | 27(90%) |
| 15. | আপুনি শিপিনীসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা 2022-23 বৰ্ষৰ বাজেটৰ বিষয়ে জানানে? | 4(13%) | 26(87%) |
| 16. | আপুনি ভৱিষ্যতে শিপিনীৰ কামটো আগবঢ়াই লোৱাত আগ্ৰহী নে? | 19(64%) | 11(36%) |
| 17. | আমাৰ দেশত প্ৰচলিত এটা কথা "শিক্ষিত যত্ৰ সুকেও নিৰক্ষৰা". শিপিনীৰ কামৰ যোগেদি এই কথাষাৰ কমাব পাৰি আপুনি একমত নে? | 27(90%) | 3(10%) |
| 18. | আপুনি ভাল লগাৰ বাবে শিপিনীৰ কামত নিয়োজিত হৈছে নে? | 24(80%) | 6(20%) |
| 19. | আপোনাক যদি শিপিনীৰ কাম এৰি আন কোনো কাম কৰিবলৈ দিয়া হয় তেনেহ'লে আপুনি এই কাম এৰি দিব নে? | 26(87%) | 4(13%) |
| 20. | আপুনি কি পদ্মশ্ৰী বঁটা প্ৰাপক হেমপ্ৰভা চুতীয়া বাইদেউক চিনি পায়? | 7(24%) | 23(76%) |

তথ্যৰ বিশ্লেষণ আৰু ব্যাখ্যা তলৰ ভিন্ন শিৰোনামেৰে তলত দেখুওৱা হৈছে।

উদ্দেশ্য নং - ১

গোলকগঞ্জৰ যিকেইটা তাঁতশাল আছে তাত কাম কৰি থকা শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে বুজ লোৱা।

তাঁতশালত কাম কৰি থকা শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে তথ্য বিচাৰি উলিওৱাত গৱেষকে নানাধৰণৰ সৰঞ্জাম ব্যৱহাৰ কৰিছে। যেনে- অনিয়ন্ত্ৰিত প্ৰশ্নাৱলী, সাক্ষাৎকাৰ আদি। তথ্য সংগ্ৰহ আৰু তথ্য বিশ্লেষণ কৰাৰ পিছত গৱেষকে শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে উত্তৰদাতা সকলৰ পৰা তথ্য কাঢ়ি উলিয়াইছে। সেইবোৰ তালিকা নং-2 ত পৃষ্ঠা নং-34 ৰ সহায়ত দেখুওৱা হৈছে


## তালিকা নং 2

### শিল্পীসকলৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে প্ৰস্তুত কৰা তালিকা

| ক্ৰমিক নং | প্ৰশ্ন নং | শিল্পীসকলৰ শিক্ষাগত অৰ্হতা | প্ৰতিক্ৰিয়াৰ পৰিমাণ | |
|---|---|---|---|---|
| | | | হয় | নহয় |
| 1. | 1. | আপুনি কি শিক্ষিত নে? | 26(86%) | 4(14%) |
| 2. | 2. | আপুনি এতিয়াও পঢ়ি আছে নে? | 2(7%) | 28(93%) |
| 3. | 3. | আপোনাক যদি উচ্চশিক্ষা গ্ৰহণৰ সুযোগ দিয়া হয় তেনেহ'লে আপুনি শিল্পীৰ পদ এৰি দিব নে? | 14(47%) | 16(53%) |
| 4. | 4. | আপুনি আপোনাৰ পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবে শিল্পীৰ কামত নিয়োজিত হৈছে নেকি? | 28(93%) | 2(7%) |
| 5. | 5. | যদি আপুনি উচ্চশিক্ষিত হ'লহেঁতেন তেনেহ'লে আপুনি এই শিল্পীৰ কামত জড়িত হ'লহেঁতেন নেকি? | 2(7%) | 28(93%) |

35 পৃষ্ঠাত থকা দণ্ডচিত্ৰ নং 2 ৰ সহায়ত শিল্পী সকলৰ শিক্ষাগত অৰ্হতা সম্বন্ধীয় বিভিন্ন তথ্যৰ হাৰ দেখুওৱা হৈছে।

চিত্ৰ নং 2




তালিকা নং 2 ৰ বিশ্লেষণৰ পৰা গৱেষকে ব্যাখ্যা কৰিছে যে বিদ্যালয়খনৰ উত্তৰ ধনাত্মক আৰু কিছুমান উত্তৰ ঋণাত্মক ওলাইছে। ইয়াৰ ভিতৰত আপুনি শিক্ষিত নে এই ক্ষেত্ৰত 86% হয় আৰু 14% নহয় কৈছে। আপুনি প্ৰতিয়াও পঢ়ি আছে নে এই ক্ষেত্ৰত 7% হয় আৰু 93% নহয় বুলি কৈছে। উচ্চশিক্ষা গ্ৰহণৰ সুযোগ দিলে বহু গৰিবৰ লোক এই ক্ষেত্ৰতহয় 47% আৰু 53% নহয় বুলি কৈছে।

উচ্চশিক্ষিত হলে এই কামত জড়িত হ'লহেতেন নেকি ইয়াত ক্ৰমে 7% আৰু 93% নহয় বুলি কৈছে। আৰ্থিক অসমস্যাৰ বাবে শিল্পী-নীৰ কামত নিয়োজিত হৈছে নেকি এইটোত 93% হয় আৰু 7% নহয় বুলি কৈছে।

গতিকে উপৰোক্ত তথ্যবিলাকৰ পৰা পোৱা উত্তৰৰ পৰা গৱেষকে এইটো বুজিব পাৰিছে যে শিল্পীনীসকলৰ বেছিভাগ শিল্পীয়ে শিক্ষিত আৰু অলপ পৰিমাণৰ শিল্পীনীয়ে অশিক্ষিত।

## উদ্দেশ্য নং 2

শিল্পীনীসকলে তেওঁলোকৰ মাহিলী আয়ত সন্তুষ্ট হৈছে নে নাই সেই বিষয়ে

শিল্পীনীসকলে তেওঁলোকৰ মাহিলী আয়ত সন্তুষ্ট হৈছে নে নাই আৰু এই সম্বন্ধীয় বিভিন্ন তথ্য সংগ্ৰহ কৰিবৰ বাবে গৱেষকে সাক্ষাৎকাৰ আৰু কথোপকথনৰ দ্বাৰা গৱেষণা কৰি তথ্য সংগ্ৰহ কৰিছে। তথ্য সংগ্ৰহ কৰাৰ পিছত গৱেষকে বিচাৰি পোৱা তথ্যবোৰ তালিকা নং - 3 ত পৃষ্ঠা 37 ৰ অধ্যায়ত দেখুওৱা হৈছে।




on realme C2
inki

## তালিকা নং- ৩

শিল্পীসকলৰ মাহিলী আয় সম্বন্ধীয় তথ্য দেখুওৱা টেবিল

| ক্রমিক নং | প্রশ্ন নং | শিল্পীসকলৰ আয় সম্বন্ধীয় | প্রাপ্ত উত্তৰসমূহ হয় | নহয় |
|---|---|---|---|---|
| 1. | 6. | আপুনি এই কামত লগাত সন্তুষ্ট নে ? | 20(67%) | 10(33%) |
| 2. | 7. | আপুনি আপোনাৰ মাহিলী আয়ত সন্তুষ্ট নে ? | 22(74%) | 8(26%) |
| 3. | 8. | আপোনাৰ শিল্পীৰ কামেৰে আপোনাৰ পৰিয়ালৰ আৰ্থিক সমস্যা দূৰ কৰিব পাৰিছানে ? | 13(44%) | 17(56%) |
| 4. | 11. | আপোনালোকে যে বাপোৰ বনায় তাৰ উপযুক্ত মূল্য পায় নে ? | 25(84%) | 5(16%) |

শিল্পীসকলৰ মাহিলী আয় সম্বন্ধীয় বিভিন্ন তথ্য চিত্ৰ নং ৩ ত দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হল।



তালিকা নং ৩ ৰ বিশ্লেষণৰ পৰা গৱেষকে ব্যাখ্যা কৰিছে যে এইক্ষেত্ৰত উত্তৰদাতায় কিছুমান প্ৰশ্নৰ উত্তৰ ধনাত্মক প্ৰদান কৰিছে আৰু আন কিছুমানে ঋণাত্মক উত্তৰ প্ৰদান কৰিছে। ইয়াৰ ভিতৰত আপুনি এইকামৰ লগত সন্তুষ্ট নে এই বিষয়ে 67% হয় আৰু 33% নহয় বুলি কৈছে। মাহিলী আয়ত সন্তুষ্ট নে এইক্ষেত্ৰত 74% হয় আৰু 26% নহয় বুলি কৈছে। শিপিনীৰ কামেৰে আৰ্থিক সমস্যা দূৰ কৰিব পাৰিছানে এইক্ষেত্ৰত আৰ্থিক সমস্যা দূৰ কৰিব পাৰিছানে এইক্ষেত্ৰত 44% হয় আৰু 56% নহয় কৈছে। কামোৰৰ উপযুক্ত মূল্য পায়নে ইয়াত 84% হয় আৰু 16% নহয় বুলি কৈছে।

সামগ্ৰিকে এইক্ষেত্ৰত গৱেষকে এইটো প্ৰকাশ কৰিছে যে উত্তৰদাতায় প্ৰদান কৰা উত্তৰৰ ভিতৰত ঋণাত্মকৰ তুলনাত ধনাত্মক বেছি হৈছে আৰু উত্তৰদাতাৰ বাবে ই সন্তোষজনক হৈছে। যদিও কিছুমানে সন্মতি প্ৰদান কৰা নাই।

উদ্দেশ্য নং-৩

শিপিনীসকলে শিপিনী সম্বন্ধীয় বিভিন্ন আঁচনিৰ বিষয়ে অৱগত হয় নে নহয় সেই বিষয়ে বুজ লোৱা।

শিপিনীসকলে শিপিনীসম্বন্ধীয় বিভিন্ন আঁচনিৰ বিষয়ে অৱগত হয় নে নহয় সেই বিষয়ে তথ্য সংগ্ৰহ কৰিবৰ বাবে গৱেষকে ভৌতজালাত যে শিপিনী সকলৰ লগত সাক্ষাৎ কৰি আৰু কথোপকথনৰ মাধ্যমেৰে তথ্য সংগ্ৰহ কৰিছে। সেই বিষয়ে তালিকাৰ মাধ্যমেৰে দেখুওৱা হল।


## তালিকা নং - ৪

শিপিনী সকলে শিপিনী সম্বন্ধীয় বিভিন্ন আঁচনি সম্বন্ধীয় বিষয়ে অৱগত হয় নে নহয় সেই তথ্য দেখুওৱাব তালিকা

| ক্ৰমিক নং | প্ৰশ্ন নং | শিপিনী আঁচনি সম্বন্ধীয় তথ্য | প্ৰতিক্ৰিয়াৰ পৰিমাণ | |
|---|---|---|---|---|
| | | | হয় | নহয় |
| 1. | 10. | আপুনি শিপিনীৰ লগত জড়িত বিভিন্ন আঁচনিৰ বিষয়ে জানানে? | 9(30%) | 21(70%) |
| 2. | 13. | শিপিনী হিচাপে আপোনাৰ শিপিনীৰ পৰিচয় পত্ৰ আছে নে? | 2(7%) | 28(93%) |
| ৩. | 14. | আপুনি কি কোনো আৰ্থিক প্ৰতিষ্ঠানৰ লগত জড়িত আছে নে? | 3(10%) | ২৭(90%) |
| 4. | 1৫. | আপুনি শিপিনী কল্যাণৰ বাবে গ্ৰহণ কৰা 2022-2৩ বৰ্ষৰ বাজেটৰ বিষয়ে অৱগত নে? | 4(13%) | 26(87%) |
| ৫. | 20. | আপুনি কি পদ্মশ্ৰী বঁটা প্ৰাপক অসমৰ হেমপ্ৰভা চুতীয়া সবান নামৰ শিপিনীক চিনি পায়। | 7(24%) | 23(76%) |

40 নং পৃষ্ঠাত থকা চিত্ৰ নং ৪ ৰ দণ্ডচিত্ৰৰ সহায়ত বিভিন্ন আঁচনি সম্বন্ধীয় তথ্যৰ হাৰ দেখুৱাবো হৈছে।

চিত্ৰ নং ৪




তালিকা নং ৪ ৰ বিশ্লেষণৰ পৰা গৱেষকে ব্যাখ্যা কৰিছে যে এইক্ষেত্ৰত উত্তৰদাতায় কিছুমান প্ৰশ্নৰ উত্তৰ ধনাত্মক প্ৰদান কৰিছে আৰু আন কিছুমানে ঋণাত্মক উত্তৰ প্ৰদান কৰিছে। ইয়াৰ ভিতৰ শিপিনীৰ আঁচনৰ বিষয়ে জানানে এইবিষয়ে 30% হয় আৰু 70% নহয় কৈছে। শিপিনীৰ পৰিচয় পত্ৰ আছে নে হয় 7% নহয় 93% কৈছে। শ্ৰমিক সংস্থাৰ লগত জড়িত নে হয় 10% নহয় 90% কৈছে। 2022-23 বৰ্ষৰ বাজেটৰ বিষয়ে জানানে এইক্ষেত্ৰত 13% হয় আৰু 87% নহয় বুলি কৈছে। কেন্দ্ৰৰপৰা তৃতীয়া কৰানক চিনি পায়নে হয় 24% নহয় 76% কৈছে।

· গতিকে এইক্ষেত্ৰত গৱেষকে এইটো প্ৰমাণ কৰিছে যে উত্তৰদাতায় সন্মান কৃষ্ণ দেৱৰ নিজেবাত ধীমানুৰ তুলনাত ধীমান্নক বৃদ্ধি দিছে আৰু ই উত্তৰদাতাৰ বাবে সন্তোষজনক নহয়। যাতে কিছুমানে সম্প্ৰতি সন্মান কৰিছে।

উদ্দেশ্য নং- ৪

শিপিনীসকলে তেওঁলোকৰ কামটো আৰুবাৰ লোৱাত কিমান আগ্ৰহী সেই বিষয়ে বুজ লোৱা।


শিপিনীসকলে তেওঁলোকৰ কৰ্মৰ প্ৰতি কিমান আগ্ৰহী সেই বিষয়ে বুজ লবলৈ গৱেষকে প্ৰশ্নাৱলীত দিয়া প্ৰশ্নসমূহৰ প্ৰত্যুত্তৰৰ উত্তৰৰ মাধ্যমে তথ্য সংগ্ৰহ কৰি বিশ্লেষণ কৰিছে। এইটো তালিকা ৫-ৰ সহায়ত পৃষ্ঠা নং 41 ত দেখুওৱা হৈছে।

তালিকা নং-৫

শিপিনীসকলৰ কৰ্ম আৰুবাৰ লোৱাত আগ্ৰহীতা সম্বন্ধীয় তালিকা

| ক্ৰমিক নং | প্ৰশ্ন নং | কৰ্মআগ্ৰহীতা সম্বন্ধীয় তথ্যৰ তালিকা | প্ৰতিক্ৰিয়াৰ পৰিমাণ | |
|---|---|---|---|---|
| | | | হয় | নহয় |
| 1. | 16. | আপুনি ভৱিষ্যতে আপোনাৰ কামটো আৰুবাৰ লোৱাত আগ্ৰহী নে? | 19(63%) | 11(36%) |
| 2 | 12. | আপুনি আপোনাৰ কামৰ সঠিক সন্মান পায়ছে? | 23(77%) | 7 (23%) |
| 3. | 9. | আপুনি আপোনাৰ লৰা ছোৱালীক শিপিনীৰ কামত নিয়োজিত কৰাব নে? | 3(10%) | 27(90%) |
| 4. | 18. | আপুনি ভাল লগাৰ বাবে শিপিনীৰ কামত নিয়োজিত হৈছে? | 24(80%) | 6 (20%) |
| 5. | 17. | শিক্ষিত সকল সক্ৰেও নিবনুৱাই — এই কথাটোক শিপিনীৰ কামৰ যোগেদি কমাব পাৰি এইকথাত আপুনি একমত নে? | 27 (90%) | 3(10%) |
| 6. | 19. | আপোনাক যদি শিপিনীৰ কাম এৰি আন কোনো কাম কৰিবলৈ দিয়া হয় তেন্তে আপুনি শিপিনীৰ কাম এৰি দিব নে? | 26(87%) | 4 (13%) |

চিত্ৰ নং ৬ৰ সহায়ত শিল্পীসকলৰ কৰ্ম আত্মৰাই লোৱা তথ্যৰ হাৰ দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হল।



-তালিকা নং ৬ -ৰ বিশ্লেষণৰ পৰা পাৰেমকে ব্যাখ্যা কৰিছে যে কিছুসংখ্যক উত্তৰ নঞাত্মক আৰু কিছুমান উত্তৰ ধনাত্মক আহিছে। ইয়াৰ ভিতৰত শিপিনীৰ কাম আজীৱন লোৱাত আগ্ৰহী নে ইয়াত 64% হয় আৰু 36% নহয় কৈছে। কামৰ সঠিক সন্মান পায়নে এইক্ষেত্ৰত 77% হয় 23% নহয় কৈছে। লৰা-ছোৱালীক শিপিনীৰ কামত নিয়োজিত কৰাব নে ইয়াত 10% হয় আৰু 90% নহয় কৈছে। আপুনি ভাল লগাৰ বাবে কামত নিয়োজিত হৈছে নেকি এইক্ষেত্ৰত 80% হয় আৰু 20% নহয় বুলি কৈছে। 'শিক্ষিত থকা সত্ত্বেও নিবনুৱা' এইকথাটোক এই কামৰ যোগেদি কমাব পাৰি ইয়াত 90% হয় আৰু 10% নহয় কৈছে। শিপিনীৰ কাম এৰি আন কোনো কামত নিয়োজিত হ'ব নেকি ইয়াত 87% হয় আৰু 13% নহয় কৈছে।

-গতিকে উত্তৰদাতা বিলাকৰ প্ৰাপ্ত পৰা লোৱা উত্তৰৰ পৰা পাৰেমকে এইটো বুজিব পাৰিছে শিপিনীসকলৰ বেছিভাগ শিপিনীয়ে এই কামক আজীৱন লোৱাত আগ্ৰহী।

# CHAPTER - 5

## ৮. FINDINGS, SUGGITION AND CONCLUSION

## (বৰ্ণনা, পৰামৰ্শাৱলী আৰু সামৰণি)

### ৮.০১ Major findings of the study (গৱেষণাৰ দ্বাৰা পোৱা মুখ্য তথ্য)

অধ্যয়ন সমাপ্ত কৰাৰ পিছত গৱেষিকাই তলত দিয়া তথ্যবোৰ পাইছে :-

গৱেষিকাই প্ৰস্তাবিত গৱেষণাটোৰ বাবে গোলকগঞ্জত হৈৰৰ চাৰিখন তাঁতশাল হ'ল :- (i) ৮ নং ৱাৰ্ডৰ প্ৰথমখন তাঁতশাল (ii) ৮ নং ৱাৰ্ডত থকা দ্বিতীয়খন তাঁতশাল (iii) ১০ নং ৱাৰ্ডত থকা তৃতীয়খন তাঁতশাল আৰু (iv) ৭ নং ৱাৰ্ডত থকা চতুৰ্থখন তাঁতশালক বাছি লোৱা হৈছে। এই তাঁতশাল চাৰিখন অধ্যয়ন কৰি পোৱা গ'ল যে এই তাঁতশালবিলাকৰ বৈষয়িক, অৰ্থনৈতিক তথা মানসিক অৱস্থা বেছি ভাল বা সন্তোষজনক নহয়। নমুনাৰ বাবে লোৱা মুঠ ৪ টা তাঁতশালৰ ৩০ টা শিপিনীৰ ভিতৰত মুঠ পুৰুষ শিপিনীৰ সংখ্যা ১৪ জন আৰু মহিলা শিপিনীৰ সংখ্যা ১৬ জন অৰ্থাৎ পুৰুষ শিপিনীৰ সংখ্যাৰ হাৰ ৪৭% আৰু মহিলা শিপিনীৰ সংখ্যাৰ হাৰ ৫৩%

৮ নং ৱাৰ্ডৰ প্ৰথমখন তাঁতশালৰ ১০ টা নমুনাৰ ভিতৰত মহিলা শিপিনীৰ সংখ্যা ৭ জন আৰু পুৰুষ শিপিনীৰ সংখ্যা ৩ জন অৰ্থাৎ মহিলা শিপিনীৰ সংখ্যাৰ হাৰ ৭০% আৰু পুৰুষ শিপিনীৰ সংখ্যাৰ হাৰ ৩০%

৮ নং ৱাৰ্ডৰ দ্বিতীয়খন তাঁতশালৰ পৰা লোৱা ৮ টা নমুনাৰ ভিতৰত মহিলা শিল্পীৰ সংখ্যা 2 জন আৰু পুৰুষ শিল্পীৰ সংখ্যা ৬ জন অৰ্থাৎ মহিলা শিল্পীৰ সংখ্যাৰ হাৰ 25% আৰু পুৰুষ শিল্পীৰ সংখ্যাৰ হাৰ ৭৫%.

১০ নং ৱাৰ্ডত থকা তৃতীয়খন তাঁতশালৰ পৰা লোৱা মুঠ ৭ টা নমুনাৰ ভিতৰত মহিলা শিল্পীৰ সংখ্যা ৫ জন আৰু পুৰুষ শিল্পীৰ সংখ্যা 2 জন অৰ্থাৎ মহিলা শিল্পীৰ সংখ্যাৰ হাৰ ৭১% আৰু পুৰুষ শিল্পীৰ সংখ্যাৰ হাৰ 29%.

৯ নং ৱাৰ্ডত থকা চতুৰ্থখন তাঁতশালৰ পৰা লোৱা মুঠ ৫ টা নমুনাৰ ভিতৰত মহিলা শিল্পীৰ সংখ্যা 2 জন আৰু পুৰুষ শিল্পীৰ সংখ্যা ৩ জন অৰ্থাৎ মহিলা শিল্পীৰ সংখ্যাৰ হাৰ ৪০% আৰু পুৰুষ শিল্পীৰ সংখ্যাৰ হাৰ ৬০%

গতিকে সৰ্বমুঠ ৩০ টা নমুনাৰ হাৰৰ পৰা গৱেষকে এইটো জানিব পাৰিছে যে গোলকগঞ্জত চাৰিখন তাঁতশালবোৰত পুৰুষশিল্পীৰ তুলনাত মহিলা শিল্পীৰ সংখ্যা তুলনামূলক বেছ বেছি।

আপুনি শিক্ষিত হয় নে নহয় এই বিষয়ে গৱেষণা কৰি গৱেষকে দেখিব পাইছে যে ৩০ টা নমুনাৰ ভিতৰত 26 জন শিল্পী অৰ্থাৎ৮৬%নমুনাই হয় বুলি কৈছে আৰু ৪ জন অৰ্থাৎ ১৪% শিল্পী নহয় বুলি উত্তৰ প্ৰদান কৰিছে। এই 26 জন শিক্ষিত শিল্পীৰ ভিতৰত মহিলা শিল্পীৰ সংখ্যা ১৪ জনী আৰু পুৰুষ শিল্পীৰ সংখ্যা ১2 জন আৰু শিক্ষিত নহয় বুলি কোৱা ৪জন শিল্পীৰ ভিতৰত মহিলা ৩ জন আৰু পুৰুষ ১ জন।

আপুনি এতিয়াও জাৰি আছে নে নাই এই ক্ষেত্ৰত গৱেষণা কৰি গৱেষকে দেখা পাইছে যে ৩০ জন নমুনা শিল্পীৰ ভিতৰত 2 জন শিল্পীয়ে অৰ্থাৎ ৭% হয় বুলি কৈছে আনহাতেদি ২৮ জন অৰ্থাৎ ৯৩% শিল্পীয়ে নহয় বুলি কৈছে। হয় বুলি কোৱা শিল্পীৰ 2 জনৰ ভিতৰত পুৰুষৰ সংখ্যা 0 আৰু মহিলাৰ সংখ্যা 2 জনী। আৰু নহয় বুলি কোৱা ২৮ জন শিল্পীৰ ভিতৰত মহিলা ১৪ জনী আৰু পুৰুষ ১৪ জন

আপোনাক যদি উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ দিয়া হয় তেনেহ'লে আপুনি শিল্পীৰ কাম এৰি দিব নে নাই এই বিষয়ে গৱেষণা কৰি গৱেষকে দেখা পাইছে যে মুঠ ৩০ টা নমুনা শিল্পীৰ ভিতৰত ১৪ জন অৰ্থাৎ ৪৭% নমুনা শিল্পীয়ে হয় বুলি কৈছে আৰু আনহাতেদি ১৬ জন অৰ্থাৎ ৫৩% শিল্পীয়ে নহয় উত্তৰ প্ৰদান কৰিছে। হয় বুলি কোৱা ১৪ জন শিল্পীৰ ভিতৰত মহিলা ৪জনী আৰু পুৰুষ ১০ জন। নহয় বুলি কোৱা ১৬ জন শিল্পীৰ ভিতৰত মহিলা ১২ জনী আৰু পুৰুষ ৪ জন।

আপুনি ভৱিষ্যতে আপোনাৰ লৰা ছোৱালীক শিল্পীৰ কামত নিয়োজিত কৰাব নে এই বিষয়ে গৱেষণা কৰি গৱেষকে দেখিছে যে মুঠ ৩০ টা নমুনা শিল্পীৰ ভিতৰত ৩ জন অৰ্থাৎ ১০% হয় বুলি কৈছে আৰু আনহাতেদি 27 জন অৰ্থাৎ ৯০% নহয় বুলি কৈছে। হয় বুলি কোৱা ৩ জন শিল্পীৰ ভিতৰত মহিলা ১জনী আৰু পুৰুষ ২ জন। নহয় বুলি কোৱা 27 জন শিল্পীৰ ভিতৰত মহিলা ১৫ আৰু পুৰুষ ১২।

realme C2

আপুনি আপোনাৰ পৰিয়ালৰ আৰ্থিক সমস্যাৰ বাবে শিপিনীৰ কামত নিয়োজিত হৈছে নেকি এই বিষয়ে সংকলন কৰি গৱেষকে দেখা পাইছে যে ২৮ জন অৰ্থাৎ ৯৩% শিপিনীয়ে হয় বুলি কৈছে আৰু আনহাতেদি ২ জন অৰ্থাৎ ৭% শিপিনীয়ে নহয় উত্তৰ প্ৰদান কৰিছে। ইয়াৰ ভিতৰত হয় বুলি কোৱা ২৮ জন শিপিনীৰ ভিতৰত মহিলা ১৫ জনী আৰু পুৰুষ ১৩ জন। আৰু আনহাতেদি নহয় বুলি কোৱা 2 জন শিপিনীৰ ভিতৰত মহিলা ১ জনী।

আপুনি যদি উচ্চশিক্ষিত হ'লহেঁতেন তেনেহ'লে আপুনি এই শিপিনীৰ কামত জড়িত হ'লহেঁতেন এই ক্ষেত্ৰত দেখা যায় যে 2 জন অৰ্থাৎ ৭% শিপিনীয়ে হয় বুলি কৈছে আৰু আনহাতেদি ২৮ জন শিপিনীয়ে অৰ্থাৎ ৯৩% নহয় বুলি কৈছে।

এই অধ্যয়নটো কৰি থকাত সময়ত নিৰ্ধাৰিত গোলকগঞ্জত হৈৰৰ শিপিনীসকলৰ শিক্ষাগত অৰ্হতাৰ দিশটো পৰ্যবেক্ষণ কৰা হ'ল। শিপিনী সকলৰ শিক্ষাগত অৰ্হতাৰ দিশৰ অধ্যয়নৰ জৰিয়তে শিপিনীসকলৰ শিক্ষাৰ লগতে জীৱনৰ বিভিন্ন দিশৰ সমস্যাৰ বিষয়ে উমান পাব পাৰি। আৰু এই সমস্যাৰ সমাধানৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰি। গৱেষকে বিভিন্ন দিশসমূহ তলত আলোচনা কৰা হ'ল:-

(i) আয়ৰ অৱস্থা:- পাৰেসনাৰ দ্বাৰা নিৰ্ধাৰিত কৰা গোলকগঞ্জ চহৰৰ তাঁতশালৰ শিল্পীসকলৰ আৰ্থিক অৱস্থা মুঠেও উৎসাহজনক নহয়। কেইজনো শিল্পীয়ে সাধাৰণ জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় আয় উপাৰ্জন কৰিবৰ বাবে এইকামত নিয়োজিত হৈছে। এই শিল্পীসকলে যদি আয়ৰ অৱস্থা ভাল হলহেঁতেন তেন্তে শিল্পীসকলে এই কামৰ লগতে শিক্ষা গ্ৰহণো কৰিব পাৰিলহেঁতেন।

(ii) পৰিয়ালৰ অৱস্থা:- পাৰেসকে নিৰ্ধাৰিত গোলকগঞ্জ চহৰৰ শিল্পীসকলৰ পৰিয়ালৰ আৰ্থিক অৱস্থা মুঠেও ভাল নহয়। যাৰ ফলত শিক্ষিত যুৱক- যুৱতীসকল নিজৰ পৰিয়ালৰ আৰ্থিক দুৰাবস্থাৰ বাবে এই শিল্পীৰ কামত জড়িত হৈছে। পৰিয়ালৰ মানুহে আৰ্থিকভাৱে জুৰুলাৰ হোৱাৰ বাবে তাঁতশাল নিয়োজিত হৈছে।

(iii) পিতৃ-মাতৃৰ শিক্ষাৰ অভাৱ : পিতৃ মাতৃৰ শিক্ষাৰ অভাৱ তথা অশিক্ষিত আৰু হোৱাৰ বাবে তেওঁলোকে নিজৰ লৰা- ছোৱালীক শিক্ষাগ্ৰহণৰ বিপৰীতে কামত নিয়োজিত কৰে যাৰ ফলত শিল্পী সকলে শিক্ষা অধিকৰা হৈ যায়।

(iv) স্বাস্থ্যগত দিশ : সাধাৰণতে দেখা যায় যে তাঁতশালত কাম কৰি থকা শিল্পী সকলে তাঁতশালত কাম কৰি কৰি শাৰীৰিক আৰু মানসীকভাৱে অসুস্থ হয় যাৰ ফলত এওঁলোকৰ চকুৰ সমস্যাৰ দৰে নানান বেমাৰ হোৱা দেখা যায় গতিকে চৰকাৰে এই শিল্পীসকলক বিনামূলীয়া স্বাস্থ্যৰ ব্যৱস্থা কৰিব লাগে যাতে সিহঁতে নিজৰ স্বাস্থ্যৰ ভাল ৰাখিব পাৰে।

## 5.02 SUGGETIONS পৰামৰ্শ

গোলকগঞ্জ চহৰত থকা শিপিনীসকলৰ শৈক্ষিক অৱস্থা বেছি ভাল নহয়। বৰ্তমান অৱস্থাৰ অধ্যয়ন কৰি আমি এই কথা কব পাৰি যে এই চহৰৰ শিপিনীসকলৰ শিক্ষিক অৱস্থা, অৰ্থনৈতিক অৱস্থা সমস্যা ঘৰন। এইক্ষেত্ৰত অধ্যয়নৰ পৰা দেখা যায় শিপিনীসকলোৰ বেছিভাগ শিপিনীয়ে উচ্চমাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকৰ পিছত আৰ্থিক সমস্যাৰ বাবে পঢ়িব নোৱাৰে।

শিপিনীসকলৰ এই সমস্যা সমাধান কৰিবৰ বাবে তলত দিয়া পৰামৰ্শসমূহ প্ৰদান কৰা হ'ল:-

(i) প্ৰথমতে শিপিনীসকলে পৰিয়ালৰ দৰিদ্ৰতাৰ বাবে উচ্চশিক্ষা লাভ কৰিব নোৱাৰাৰ ফলত সমস্যা সমাধান কৰিবৰ বাবে এই ছাত্ৰ-ছাত্ৰীসকলক উচ্চশিক্ষা গ্ৰহণৰ বাবে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানে বৃত্তি প্ৰদান কৰিব লাগে।

(ii) ৰাজ্য চৰকাৰৰ দৰিদ্ৰ পৰিয়াল সমূহৰ বাবে আঁচনি প্ৰদান কৰিব লাগে যাতে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক উচ্চশিক্ষা গ্ৰহণৰ বাবে পঠিয়াব পাৰে।

(iii) গৱেষকে অধ্যয়ন কৰোঁতে দেখা পাইছে যে বহুতো কমবয়সীয়া ছোৱালী পঢ়া আধৰুৱা কৰি এই শিপিনীৰ কামত জড়িত হৈছে। সেয়ে চৰকাৰে এটা নীতি গঠন কৰি এই তাঁতশালসমূহত যি

শিক্ষাৰ গ্ৰহণৰ আগ্ৰহ থকা শিপিনীসকল বাছি উলিওৱাব লাগে আৰু তেওঁলোকক শিক্ষাগ্ৰহণৰ সুযোগ দিব লাগে।

(iv) দেখা পাইছে যে এই তাঁতশালবোৰত বহুত শিক্ষিত শিপিনী আছে আৰু তেওঁলোকে তেওঁলোকৰ শিক্ষা অনুযায়ী তাৰ উপযুক্ত মূল্য পোৱা নাই, সেয়েহে এই দিশবোৰত বিশেষ নজৰ দিব লাগে আৰু উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগে।

(v) তাঁতশালত কাম কৰি থকা মহিলা শিপিনীসকল শিক্ষাক্ষেত্ৰত পিছপৰাৰ মূল কাৰণ আৰ্থিক দুৰাৱস্থা প্ৰতিকে সেয়েহে মহিলা শিপিনীসকলৰ শিক্ষা বিনামূলীয়া কৰিব লাগে।

(vi) গৱেষকে দেখিছে যে তাঁতশালবোৰত বহুতো শিপিনীয়ে উচ্চমাধ্যমিক আৰু উত্তৰ মাধ্যমিকলৈকে পঢ়াশুনা কৰি শিপিনীৰ কামত নিয়োজিত হৈছে, সেয়েহে এই শিক্ষিত শিপিনীসকলক শিক্ষা গ্ৰহণৰ বাবে পুনৰ ব্যৱস্থা কৰিব লাগে।

## 5.03 CONCLUSION সামৰণি

প্ৰস্তাৱিত অধ্যয়নৰ সামৰণিত এই কথা উল্লেখ কৰিব পাৰিযে গোলকগঞ্জ চহৰৰ ভিখাৰিনীসকলে শিক্ষাৰ পৰা আৰম্ভ কৰি সামাজিক জীৱনৰ সকলো দিশতে পিছপৰি আছে। বৰ্তমান আধুনিক সমাজৰ বৈশিষ্ট্যসমূহৰ এই ভিখাৰিনীসকলৰ মাজত দেখা পোৱা নাযায়।

এই অধ্যয়নত গৱেষকে ভিখাৰিনীসকলৰ শৈক্ষিক অনগ্ৰসৰতাৰ কাৰণসমূহ জানিবলৈ আৰু এই সমস্যা দূৰ কৰিবলৈ কিছু সমাধান দিবলৈও চেষ্টা কৰে। তাতে অনুসন্ধানকাৰীয়ে ভাঁজশানৰ, দূৰৱৰ্তী ভিখাৰিনী আদিৰ সৈতে যোগাযোগ কৰি তথ্য সংগ্ৰহ কৰিছিল আৰু তাৰ পিছত বিশ্লেষণ কৰিছিল আৰু সমস্যা বুজিবলৈ এটা এটাকৈ তথ্যৰ ব্যাখ্যাও কৰিছিল। তথ্য বিশ্লেষণ আৰু ব্যাখ্যা কৰাৰ পিছত তদন্তকাৰীয়ে সমস্যাটোৰ আঁৰৰ প্ৰকৃত পৰিস্থিতি উলিয়াব লাগে। গৱেষকজনে উপলব্ধি কৰিলে যে এই সমস্যাটো কেৱল কিছুমান ভিখাৰিনী আছে যিসকলে শিক্ষা গ্ৰহণৰ আগ্ৰহ থকা সত্ত্বেও আৰ্থিক সমস্যাৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱাৰে যাৰ ফলত সমাজ আৰু দেশে কিছুমান দক্ষ সদস্য হেৰুৱাই।

গতিকে সামৰণিত এইটো কব পাৰিযে ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ শিল্পীসকলৰ শিক্ষাৰ দিশটো সন্তোষজনক নহয় আৰু দেখা যায় যে বহুতো শিল্পী উচ্চ বৌদ্ধিক সম্পন্ন হোৱা সত্ত্বেও আৰ্থিক সমস্যাৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱাৰে তেন্তে এই সমস্যা আঁতৰোৱাৰ বাবে চৰকাৰে সম্ভাব্য বিবেচনা কৰিব লাগে।

# BIBLIOGRAPHY

# BIBLOGRAPHY

1. Koul Lokesh (2015). Methodology of educational research. Publishing by Vikas Pvt. Ltd.

2. Retrieved from http:// shodhganga.inflibnet.ac.in

3. Retrieved from http:// www. slideshare. net

# APPENDIX- A


আঁচনিৰ হিতাধিকাৰী সৈতে লোৱা এক দৃশ্য.








পৰ্যবেক্ষণৰ সময়ত হিতাধিকাৰীসকলৰ সৈতে লোৱা এক দৃশ্য.




শিপিনীসকলৰ সৈতে লোৱা এক দৃশ্য।

তাঁতশালত কর্মৰত শিপিনীসকল।



# APPENDIX - B

## প্ৰশ্নৱলী

১) আপুনি কি শিক্ষিত নে?
হয় / নহয় ।

২) আপুনি এতিয়াও পঢ়ি আছে৷
হয় / নহয় ।

৩) আপোনাক যদি উচ্চশিক্ষা গ্ৰহণৰ সুযোগ দিয়া হয় তেনেহ'লে আপুনি শিপিনীৰ কাম এৰি দিব নে?
হয় / নহয় ।

৪) আপুনি আপোনাৰ পৰিয়ালৰ আৰ্হিক সমস্যাৰ বাবে শিপিনীৰ কামত নিয়োজিত হৈছে নেকি?
হয় / নহয় ।

৫) যদি আপুনি উচ্চশিক্ষিত হলঁহেতেন তেনেহ'লে আপুনি এই শিপিনীৰ কামত জড়িত হলঁহেতেন নেকি?
হয় / নহয় ।

৬) আপুনি এই কামৰ লগত সন্তুষ্ট নে?
হয় / নহয় ।

৭) আপুনি আপোনাৰ মাহিলী আয়ত সন্তুষ্ট নে?
হয় / নহয় ।

৮) আপোনাৰ শিপিনীৰ কামেৰে আপোনাৰ পৰিয়ালৰ আৰ্থিক সমস্যা দূৰ কৰিব পাৰিছেনে?
হয় / নহয় ।

৯) আপুনি ভৱিষ্যতে আপোনাৰ ল'ৰা-ছোৱালীক শিপিনীৰ কামত নিয়োজিত কৰাব নে?
হয় / নহয় ।

১০) আপুনি শিপিনীৰ লগত জড়িত বিভিন্ন আঁচনিৰ বিষয়ে জানানে?
হয় / নহয় ।

১১) আপোনালোকে যে তাঁতশালত কাপোৰ বনায় তাৰ উপযুক্ত মূল্য পায় নে?
হয় / নহয় ।

১২) আপুনি আপোনাৰ কামৰ সঠিক সন্মান পায়নে?
হয় / নহয় ।

১৩) শিপিনী হিচাপে আপোনাৰ শিপিনীৰ পৰিচয় পত্ৰ আছেনে?
হয় / নহয় ।

১৪) আপুনি কি কোনো শ্ৰমিক সংস্থাৰ লগত জড়িত আছেনে?
হয় / নহয় ।

১৫) আপুনি শিপিনী সকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা ২০২২-২৩ বৰ্ষৰ বাজেটৰ বিষয়ে অৱগত নে?
হয় / নহয় ।

১৬) আপুনি ভৱিষ্যতে আপোনাৰ শিপিনীৰ কামটো আগুৱাই লোৱাত আগ্ৰহী নে?
হয় / নহয় ।

১৭) আমাৰ দেশত প্ৰচলিত এটা কথা - "শিক্ষিত থকা সত্ত্বেও নিবনুৱা" এই কথাটোক অলপহ'লেও শিপিনীৰ কামৰ যোগেদি বাহি কৰিব পাৰি এই কথাত আপুনি একমত হয় নে?
হয় / নহয় ।

১৮) আপুনি ভাল লগাৰ (Hobby) বাবে শিপিনীৰ কামত নিয়োজিত হৈছে নে?
হয় / নহয় ।

১৯) আপোনাক যদি শিপিনীৰ কাম এৰি আন কোনো কাম কৰিবলৈ দিয়া হয়
তেনেহ'লে আপুনি শিপিনীৰ কাম এৰি দিব নে?
হয় / নহয় ।

২০) আপুনি কি পদ্মশ্ৰী বঁটা প্ৰাপ্তক অসমৰ হেমপ্ৰভা চুতিয়া মৰাণ নামৰশিপিনীক চিনি পায়?
হয় / নহয় ।